

*দীপৰৰ পাৰত পুনঃ সংস্থাপিতৰ গাঁও।*

# পকাদল পথাৰত এতিয়া আৰু গা নোধোৱে অপেছৰীয়ে

গ্ৰীণ কলাম
পুলিন কলিতা

১. **মাটিয়া** পাহাৰৰ দাঁতিত, পকাদল পথাৰত আছিল এটা বগা বৰণৰ শিল। খুঁটাৰ দৰে। ওপৰখন সমান। যেন কাৰোবাৰ বহা আসন। পকাদল পথাৰ যেতিয়া পানীৰে সাগৰ যেন হৈ পৰে, তেতিয়া তালৈ সৰগৰপৰা উৰি আহে অপেছৰী; সাতুৰি-নাদুৰি গা ধোৱে দীপৰ বিলৰ পানীত আৰু ভাগৰ লাগিলে শিলটোত বহি এখন্তেক জিৰণি লৈ উৰা মাৰে...

২. ৰাণী ৰাজ্যৰ কুঁৱৰী এগৰাকী প্ৰাসাদৰপৰা সখী পৰিৱেষ্টিত হৈ আহিছিল বুঢ়ী গোসাঁনী দেৱালয়লৈ বুলি। কুঁৱৰী আহি দেৱালয় নাপালেই, আহিল ভূমিকম্প আৰু গোটেই ৰাজ্যই ধ্বংস হৈ গ'ল। গোসাঁনীক পূজা দিয়াৰ আগতেই ভূমিকম্পই প্ৰাণ লোৱা কুঁৱৰীৰ অতৃপ্ত আত্মা আহি এই শিলত বহেহি। কালমণি নৈৰ বানে যিদিনা বুৰাই পেলাব অঞ্চলটো, সিদিনাই কুঁৱৰীয়ে পূজা দিব পাৰিব দেৱালয়ত আৰু মুক্তি পাব আত্মাই...

৩. এতিয়াৰ তেতেলীয়া গাঁওখন আগেয়ে দীপৰৰ মাজত আছিল। গাঁৱৰ এজন লোকে স্বপ্নাদেশ পাই গাঁওখন বৰ্তমানৰ ঠাইলৈ স্থানান্তৰ কৰাৰ পিছতেই গোটেই অঞ্চলটো বহি গৈ বিল হয়। এই গাঁৱৰে এজনী পাটগাভৰুৰ প্ৰেম আছিল গাঁৱৰে এজন যুৱকৰ সৈতে। ঘটনাৰ সময়ত গাভৰু গৈছিল পাটগাঁৱৰ মোমায়েকৰ ঘৰলৈ। ঘূৰি আহি গাঁওখন পানীৰ তললৈ যোৱা দেখি ডেকাৰ বিৰহত সেই পানীতে জাঁপ মাৰি আপোনঘাতী হ'ল। সেই গাভৰুৰেই প্ৰেমৰ পৱিত্ৰতাৰ বলত অপেছৰী হ'ল; পিছে প্ৰেমিকক পাহৰিব নোৱৰাত মাজে-সময়ে আহি এই শিলচটাত বহেহি...

দীপৰ বিলৰ চৌপাশৰ গাঁও-ভূই ঘূৰি ফুৰোতে বয়সস্থ কেইজনমান লোকৰপৰা জানিব পাৰিছিলোঁ এই কাহিনী। গতিকেই এদিন এই বিশ্বাসৰ মূল সন্ধান কৰিবলৈ ওলালোঁ। কেওটপাৰাৰ ৰত্নেশ্বৰ দাস আৰু যোগেন দাসে নাও বাই মোক লৈ গ'ল পকাদল পথাৰলৈ। পিছে এয়া দেখোন অথাই সাগৰ! প্ৰকৃততে পকাদল পথাৰ দীপৰ বিলৰে এটা অংশ। ই লাগিছেগৈ আজাৰাৰ বায়ুসেনা শিবিৰৰ পাছফালে আৰু ৰাষ্ট্ৰীয় পথত — সেই পিনেই এসময়ত বিলখন বিস্তৃত হৈ আছিল মিৰ্জাৰ অধুনাচৰ্চিত দবকা বিললৈ আৰু গৈ গৈ ব্ৰহ্মপুত্ৰ ওলাইছিলগৈ। যুগ যুগ ধৰি পৰা ব্ৰহ্মপুত্ৰৰ পলসে বহু ঠাই বাম কৰিলে; ফলত বিলখন বিচ্ছন্ন হৈ দুখন হৈ পৰিল — দীপৰ আৰু দবকা। লাহে লাহে বাম হ'ব ধৰা দীপৰৰে অংশ পকাদল — য'ত খৰালি আজিকালি কৰা হয় বড়োধানৰ খেতি। কিন্তু অপেছৰী বহা শিলচটা ক'ত?

ৰেল লাইনৰ তলত! — ক'লে যোগেন দাসে। হয়, শিলাখণ্ড এটা আছিল ইয়াতে। অপেছৰীৰ কাহিনীটো যোগেন দাসেও জানে। ৰেল লাইন বহুওৱাৰ পৰত শিলাখণ্ডটো 'ব্লাষ্টিং' কৰা হ'ল; তাৰ ওপৰেৰেই ৰেল লাইন গ'ল। আজিকালি তাত বহাৰ সুযোগ নাই কোনো অপেছৰীৰ। অপেছৰী বহা শিলাখণ্ড এটা ৰেললাইনে বেদখল কৰাৰে পৰা দীপৰ বিল অঞ্চলত আৰম্ভ হ'ল বেদখল। এই কাৰ্যই বেদখলৰ প্ৰতিযোগিতা আৰম্ভ কৰি দিলে।



*পকাদল পথাৰত নাও বাই যোগেন দাস।*

'পকাদল পথাৰত বাৰিষা আমি মাছ মাৰো, খৰালি কৰো বড়ো খেতি। পিছে বৰ বেছি দিন এই ঠাই ব্যৱহাৰ কৰি থাকিব নোৱাৰিম আমি। কাৰণ, এই মাটি ম্যাদী পট্টা হৈ গৈছে। শুনা মতে তিনিজন ব্যৱসায়ীয়ে ইয়াৰে ডেৰশ বিঘা মাটি পট্টা কৰি লৈছে।' — যোগেন দাসে দুখেৰে ক'লে। তেওঁ নাৱৰ গুৰিও ধৰিছিল।

নাও স্থিৰ কৰিবলৈ দি ঠাইখিনিত চকু ফুৰালোঁ। ৰাষ্ট্ৰীয় পথটো এটা চুকেদি দেখা গৈছে। এফালে বায়ুসেনা শিবিৰটো। অনুমান কৰিব পাৰি, বিলৰ একাংশ পুতিয়েই এসময়ত শিবিৰটো পতা হৈছিল। তাৰ ওচৰতে এখন গাঁও — খহনীয়া পতিতক ভূমি প্ৰদান আঁচনিৰ হিতাধিকাৰী একাংশক এসময়ত চৰকাৰেই বহুৱাইছিল ইয়াত। এই হেন ঠাইত এখন আধুনিক 'টাউনশ্বিপ'! বৰ লাভজনক হ'ব। কি নাম হ'ব পাৰে এই টাউনশ্বিপৰ? দীপৰ ভিউ?

কেৱল দীপৰপৰীয়া পকাদল পথাৰেই ইয়াত এতিয়া ৰাজহুৱা সত্ত্ব হেৰুওৱা নাই; দীপৰ বিলৰ পাৰৰ বহু ঠায়েই এতিয়া ব্যক্তিগত মালিকানালৈ গুচি গৈছে। আলোচনালৈ আনিব পাৰি কেওটপাৰাৰ মনসা মন্দিৰৰ কাষৰ নিৰ্মীয়মান আৱাসিক অট্টালিকাটোৰ প্ৰসংগই। 'আমাৰ 'প্লট'টো চাৰি বিঘাৰ। ইয়াত ১৪০টা এপাৰ্টমেণ্ট হ'ব। এবছৰৰ ভিতৰত বিল্ডিংকেইটা হৈ যাব লাগে।'— নিৰ্মীয়মান, নামবিহীন আৱাসিক অট্টালিকাটোৰ তত্ত্বাৱধায়কজনে ক'লে। তেওঁৰ উপাধি চৌধুৰী। তেওঁৰ মতেই ইয়াত ১৮ ফুটমান মাটি পুতিব লগা হৈছে। এই মাটিখিনিও বিলৰে অংশ — এবছৰৰ আগতে আহোতে ইয়াত মেটেকা দেখিছিলোঁ। 'আমাৰ ব্লকটোৰ কাষৰ সেই ব্লকটো সাত বিঘাৰ। আৰ্থ ফিলিং সম্পূৰ্ণ হৈছে — এই বছৰতে বিল্ডিঙৰ কাম আৰম্ভ হ'ব। তাৰ সিফালে এঘাৰ বিঘাৰ আন এটা ব্লক আছে — আৰ্থ ফিলিং হোৱা নাই। এইবাৰ খৰালিত হৈ যাব। এই তিনিটা ব্লকৰ কাম সম্পূৰ্ণ হৈ গ'লে কেওটপাৰাৰ চেহেৰাই সলনি হৈ যাব।' — চৌধুৰীয়ে উচ্ছ্বাসেৰে ক'লে।

আৱাসিক অট্টালিকা নিৰ্মাণৰ কামটো বিভিন্ন স্তৰত আছে। কেওটপাৰাৰপৰা ধাৰাপুৰ চাৰিআলিলৈকে — দীপৰৰ পাৰ পুতি পুতি নব্য যুগৰ আৱাস নিৰ্মাণ হ'ব ধৰিছে। দীপৰৰ পাৰৰ মাটি বিক্ৰী হৈ আছে। কিন্তু কোনে বিক্ৰী কৰিছে, কিমান দামত বিক্ৰী কৰিছে নাজানে কেওটপাৰাৰ বাসিন্দাই। তেওঁলোক মাথোঁ অসহায় দৰ্শক।

'চৰকাৰে আমাৰ মানুহক মাছ মাৰিব নিদিয়ে; পক্ষী অভয়াৰণ্যত মাছ মৰা নিষেধ হেনো। কিন্তু এইদৰে বিল্ডিঙৰ পিছত বিল্ডিং নিৰ্মাণ হৈ থাকিলে, মানুহেই মানুহ হ'লে বিল থাকিব ক'ত?' — দাসৰ প্ৰশ্ন।

পক্ষী অভয়াৰণ্য দীপৰ এতিয়া কেইবাটাও দিশৰপৰা সংকটৰ সন্মুখীন হৈছে। মাটি বিক্ৰী আৰু গৃহ নিৰ্মাণ তাৰ অন্যতম। বৰগাঁৱৰ ওচৰৰ সুবৃহৎ জাৰণিখনৰ চৰকাৰী মাটি চৰকাৰী-অৰ্দ্ধচৰকাৰী প্ৰতিষ্ঠানক পট্টা দিয়াৰ জৰিয়তে দীপৰৰ সংকোচন পৰ্ব আৰম্ভ কৰিছিল চৰকাৰেই। দীপৰৰ বুকু ভেদ কৰি ৰেল লাইন পাতিবলৈ অনুমতি দিছিল চৰকাৰেই। ৰেল লাইন আৰু তেতেলীয়া-বৰাগাঁৱৰ মাজত পৰা বিল অংশ বাম হৈ পৰিছে অৱক্ষেপণৰ (siltation) ফলত। এই ফালৰপৰা মহানগৰখন দ্ৰুতগতিত আগবাঢ়িছে বিল অভিমুখে। পাঁচটামান বছৰৰ ভিতৰত এই অংশ আৱাসিক অট্টালিকা তথা অন্যান্য ভৱনেৰে ভৰি যাব বুলি অনুমান কৰা হৈছে। কাৰণ এই অংশটোৰ সকলোখিনি ভূমিয়েই ব্যক্তিগত দখলত আছে; সীমাৰ খুঁটা আৰু দেৱালেৰে ক্ষুদ্ৰ ক্ষুদ্ৰ জ্যামিতিক খণ্ডত পৰিণত হৈছে অংশটো। অভিযান্ত্ৰিক কলেজৰ দিশৰ পৰাও বিলখনক ক্ৰমাৎ চেপি অনা হৈছে। একেই দ্ৰুততাৰে গড়চুক-পামহি-দেওচোতাল-চকৰ্দোব দিশৰ পৰাও দ্ৰুতগতিত আগবাঢ়িছে মহানগৰ। পাটগাঁৱৰ ফালে ইটোৰ পিছত সিটো উদ্যোগ বহিছে; ধাৰাপুৰ অংশটোতো বহিছে উদ্যোগ। এনে অৱস্থাত বিলখনৰ স্বাভাৱিক / প্ৰাকৃতিক পাৰ হৈ আহিব মাটিয়াৰপৰা কেওটপাৰা হৈ ৰাষ্ট্ৰীয় পথলৈ জোৰা অংশটোহে। মহানগৰে তাতো আক্ৰমণ চলাইছে আৰু এই সকলোৰে আক্ৰমণত উশাহ পাহৰিবৰ উপক্ৰম ঘটিছে দীপৰ বিলৰ।

'বন বিভাগে আমাৰ মানুহক কৈছে বিলত মাছ মৰা বন্ধ কৰিবলৈ। তেওঁলোকে আমাক গাহৰি-গৰু পুহিবলৈ, পুখুৰী খান্দি মাছ পুহিবলৈ কৈছে। কিন্তু বেদখল-মাটি বিক্ৰী-গৃহ নিৰ্মাণ এনেদৰে চলি থাকিলে, আমি মাছ মৰা বন্ধ কৰিলেই বিল থাকিবনে?' — প্ৰশ্নটো ৰত্নেশ্বৰ দাসৰ। উল্লেখ থাকে যে দীপৰ ৰক্ষা অভিযানত নিয়োজিত কেইবাটাও প্ৰতিষ্ঠানে এই দিশটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছে; পিছে চৰকাৰৰহে গা লৰা নাই। ***ছবি ঃ লেখকৰ***

*(চেণ্টাৰ ফৰ ছায়েন্স এণ্ড এনভাইৰণমেণ্ট প্ৰদত্ত ফেলোশ্বিপৰ অধীনত ৰচিত)*





*কেওটপাৰাত নিৰ্মীয়মাণ আৱাসিক অট্টালিকা। ওপৰত বৰাগাঁও-তেতেলীয়াৰ দিশেৰে অগ্ৰসৰ মহানগৰ।*

লেখকৰ ফোন ঃ +৯১ ৯৮৬৪২-৯৬১৩১, e-mail : pulinkalitaghy@gmail.com